**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
***:::::::::::::::::::::::::::::::::::::::::***

১। ভাৰত আৰু ফিজিয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ কথা দোঁহাৰিছে।
২। উগ্ৰপন্থী সংগঠন হিজবুল্লাক এইবছৰৰ শেষৰ ফাললৈ নিৰস্ত্ৰ কৰা সন্দৰ্ভত লেবানন চৰকাৰে লোৱা সিদ্ধান্তক ইজৰাইলে আদৰণি জনাইছে।
৩। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই আজি নাগালেণ্ডৰ দ্বাবিংশ ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰে।
৪। ২০১৭-১৮ চনৰ পৰা ২০২৩-২৪ চনলৈ ভাৰতত মহিলাৰ নিয়োগৰ হাৰ প্ৰায় দুগুণ বৃদ্ধি হৈছে বুলি শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। *আৰু*
৫। আহমেদাবাদত অনুষ্ঠিত কমনৱেল্থ ভাৰোত্তলন ছেম্পিয়নশ্বিপত আজি মীৰাবাই চানুৱে সোণৰ পদক অৰ্জন কৰিছে।

০০০০

ভাৰত আৰু ফিজিয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ কথা দোঁহাৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনি ৰাবুকাৰ মাজত নতুন দিল্লীত অনুষ্ঠিত দ্বিপাক্ষিক বৈঠকত দুয়োগৰাকী নেতাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে সহযোগিতা শক্তিশালী কৰাৰ লগতে যিকোনো ধৰণৰ সন্ত্ৰাসবাদৰ তীব্ৰ গৰিহণা দিয়ে।    ২৬ গৰাকী নিৰীহ লোকে প্ৰাণ হেৰুওৱা পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমনৰ ঘটনাক দুয়োগৰাকী নেতাই নিন্দা কৰে। উভয় পক্ষই সন্ত্ৰাসবাদী সংগঠনক ধনৰ যোগান ধৰা, সন্ত্ৰাসবাদী কাৰ্যকলাপত ন-ন প্ৰযুক্তিৰ ব্যৱহাৰ ৰোধ কৰাৰ লগতে উগ্ৰবাদৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব নীনা মালহোত্ৰাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনি ৰাবুকাই দেশ দুখনৰ মাজত ৯ খন বুজাবুজিৰ চুক্তি আদান প্ৰদান কৰে। তেওঁ কয়, যে আজিৰ এই বৈঠকত দুযোগৰাকী নেতাই ৰাজনৈতিক সহযোগিতা, উচ্চ পৰ্যায়ৰ বুজাবুজি, বাণিজ্য, কৃষি শিক্ষা, স্বাস্থ্য যতন, প্ৰতিৰক্ষা, দক্ষতা বিকাশ আদিকে ধৰি দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন বিষয় লৈ আলোচনা কৰে। তেওঁলোকে জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে ল'বলগীয়া ব্যৱস্থাৱলী আৰু স্থায়ী বিকাশ সন্দৰ্ভতো মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী দুগৰাকীয়ে দেশ দুখনৰ মাজত অব্যাহত থকা প্ৰতিৰক্ষা সহযোগিতা সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে এই সম্পৰ্ক অধিক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোঁহাৰি প্ৰতিৰক্ষা আৰু সামুদ্ৰিক সুৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

০০০০

ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনি লিগামামাদা ৰাবুকাই আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত শ্ৰীমতী মুৰ্মুৱে প্ৰশান্ত মহাসাগৰীয় দ্বীপ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ

সম্পৰ্ক আৰু অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ বাবে থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। উল্লেখযোগ্য যে বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকা দ্বীপ ৰাষ্ট্ৰসমূহৰ ভিতৰত ফিজিয়ে বিশেষ স্থান অধিকাৰ কৰি আহিছে বুলি তেওঁ লগতে প্ৰকাশ কৰে।

০০০০

উগ্ৰপন্থী সংগঠন হিজবুল্লাক এইবছৰৰ শেষৰ ফাললৈ নিৰস্ত্ৰ কৰা সন্দৰ্ভত লেবানন চৰকাৰে লোৱা সিদ্ধান্তক ইজৰাইলে আদৰণি জনাইছে। ইজৰাইলী প্ৰধানমন্ত্ৰী নেতান্যাহুৰ কাৰ্যালয়ৰ পৰা জাৰি কৰা এটা বিবৃতিত কোৱা হৈছে যে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই সম্পৰ্কীয় প্ৰস্তাৱ মৰ্মে দেশখনৰ সেনা বাহিনীক জড়িত কৰিবলৈ লেবাননৰ প্ৰধানমন্ত্ৰী নাৱাফ চালামে কৰা ঘোষণাক ইজৰাইলে সমৰ্থন কৰে। বিবৃতিটোত হিজবুল্লাৰ পৰা অস্ত্ৰ আঁতৰোৱাৰ সিদ্ধান্তই লেবাননক ইয়াৰ সাৰ্বভৌমত্ব আৰু ৰাষ্ট্ৰীয় কৰ্তৃত্ব বহিঃ প্ৰভাৱৰ পৰা মুক্ত কৰিব বুলি আস্থা প্ৰকাশ কৰা হৈছে। সংবাদ সংস্থাৰ বাতৰি অনুসৰি ইজৰাইলে লেবাননৰ এই প্ৰচেষ্টাৰ প্ৰতি ইজৰাইলে যথোপযুক্ত সঁহাৰি জনাব বুলি প্ৰকাশ কৰিছে আৰু লেবাননত থকা ইজৰাইলী সৈনিকৰ সংখ্যা হ্ৰাস কৰাৰ বাবে দেশখন অগ্ৰসৰ হৈছে। উল্লেখযোগ্য যে লেবাননৰ ওপৰত ইজৰাইলৰ আক্ৰমণৰ ফলত ব্যাপক ক্ষয়-ক্ষতিৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰই লেবানন চৰকাৰৰ ওপৰত হিজবুল্লাৰ নিৰস্ত্ৰীকৰণৰ ক্ষেত্ৰত প্ৰৱল হেঁচা প্ৰয়োগ কৰে। পশ্চিম এছিয়াৰ অন্যতম শক্তিশালী উগ্ৰপন্থী সংগঠন হিজবুল্লাই  তেওঁলোকৰ অস্ত্ৰ ভাণ্ডাৰ হ্ৰাসৰ যিকোনো প্ৰচেষ্টাক তীব্ৰ বিৰোধিতা কৰি আছে যদিও ইজৰাইলী চৰকাৰৰ শেহতীয়া বিবৃতিটোৱে পশ্চিম এছিয়াৰ সুস্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

০০০০

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই আজি নাগালেণ্ডৰ দ্বাবিংশ ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰে। ক'হিমাৰ ৰাজভৱনত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে শ্ৰীভাল্লাক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। উল্লেখযোগ্য যে নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনম যোৱা ১৫ আগষ্টত দেহাৱসান হোৱাৰ পৰিপ্ৰেক্ষিততে শ্ৰীভাল্লাক এই অতিৰিক্ত দায়িত্ব অৰ্পন কৰা হৈছে। আজিৰ শপত গ্ৰহণ অনুষ্ঠানত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ', উপ মুখ্যমন্ত্ৰী দ্বয় টি আৰ জেলিয়াং আৰু ৱাই পাট্টনৰ লগতে কেইবাগৰাকীও সাংসদ, মন্ত্ৰী, বিধায়ক, পদ্মশ্ৰী সন্মানেৰে সন্মানিত ব্যক্তি আৰু অন্যান্য প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। শপত গ্ৰহণৰ পাছতে শ্ৰীভাল্লাই মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' নেতৃত্বাধীন ৰাজ্যিক মন্ত্ৰীসভাৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত শ্ৰীভাল্লা আৰু তেওঁৰ পত্নীয়ে কহিমা যুদ্ধস্মাৰকলৈ গৈ দেশৰ বাবে চৰম বলিদান দিয়া সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পন কৰে।

০০০০

নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে আজি নতুন দিল্লীত ভাৰতীয় নৱীকৰণযোগ্য শক্তি উন্নয়ন সংস্থা - আই আৰ ই ডি এৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই বুজাবুজিৰ চুক্তিত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কৌশলগত লক্ষ্যৰ বিষয়ে অন্তৰ্ভুক্ত কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তিত এইবুলি কোৱা হৈছে যে চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষত এই শক্তিখণ্ডৰ পৰা ৮ হাজাৰ ২০০ কোটি টকাৰ ৰাজহ সংগ্ৰহৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০

২০১৭-১৮ চনৰ পৰা ২০২৩-২৪ চনলৈ ভাৰতত মহিলাৰ নিয়োগৰ হাৰ প্ৰায় দুগুণ বৃদ্ধি হৈছে বুলি শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা জৰীপ অনুসৰি মহিলাৰ নিবনুৱাৰ হাৰ ২০১৭-১৮

চনত ৫ দশমিক ৬ শতাংশৰ পৰা ২০২৩-২৪ বৰ্ষত ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে। জৰীপটোত লগতে কোৱা হৈছে যে গ্ৰাম্য ভাৰতত মহিলাৰ নিয়োগ ৯৬ শতাংশ বৃদ্ধি পোৱাৰ লগতে একে সময়তে নগৰ অঞ্চলত এই পৰিমাণ পূৰ্বৰ তুলনাত ৪৩ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। সেইদৰে মহিলা নেতৃত্বাধীন ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ সংখ্যাও ২০১০-১১ বৰ্ষৰ পৰা ২০২৩-২৪ বৰ্ষলৈ দুগুণ বৃদ্ধি পাইছে বুলিও মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে কৈছে যে বিগত ৭ বছৰত এক কোটি ৫৬ লাখ মহিলাই আনুষ্ঠানিক কৰ্মস্থলীত যোগদান কৰিছে আৰু চলিত মাহলৈ ই-শ্ৰম পোৰ্টেলত ১৬ কোটিৰো অধিক মহিলাই অসংগঠিত শ্ৰমিক শিতানত পঞ্জীয়ন কৰিছে।

০০০০

কৰ্মচাৰী বাচনি আয়োগে পুনৰ কয় যে আয়োগে নিকা আৰু স্বচ্ছ পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। আজি নতুন দিল্লীত সংবাদ মাধ্যমক অৱগত কৰি এছ এছ চিৰ অধ্যক্ষ এছ গোপালকৃষ্ণনে আলোকপাত কৰে যে, আয়োগে কাৰিকৰী ত্ৰুটি আৰু অসৎ কাৰ্যকলাপসমূহ শুধৰণিৰ বাবে ধাৰাবাহিক পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয়, যে পৰীক্ষাৰ্থীসকলৰ সঠিক পৰিচয় নিৰ্ণয়ৰ বাবে আধাৰ প্ৰমাণিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে এই ব্যৱস্থাৰ কাৰ্যকৰীকৰণৰ ফলত প্ৰাৰ্থীসকলে একাধিক পৰীক্ষাত অংশ ল'বলৈ কৰা চেষ্টা নিয়ন্ত্ৰণ কৰিব পৰা যাব। পৰীক্ষাৰ নকল প্ৰশ্নকাকতৰ বিষয়ে উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয় যে এতিয়া প্ৰশ্নকাকতৰ দায়িত্ব বিভিন্ন সংস্থাক অৰ্পন কৰা হৈছে আৰু যিসমূহ সংস্থাই এই কাৰ্য সূচাৰুৰূপে কৰাত ব্যৰ্থ হ'ব, সেই সংস্থাসমূহৰ বিষয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০

আহমেদাবাদত অনুষ্ঠিত কমনৱেল্থ ভাৰোত্তলন ছেম্পিয়নশ্বিপত আজি টকিঅ' অলিম্পিকত ৰূপৰ পদক জয়ী মীৰাবাই চানুৱে মুঠ ১৯৩ কিলোগ্ৰাম ওজন দাঙি সোণৰ পদক অৰ্জন কৰিছে। অভিলেখ গঢ়িবলৈ সক্ষম হোৱা মীৰাবাই চানুৱে আশা কৰা অনুসৰি ছেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰিছে। ৩১ বছৰীয়া খেলুৱৈগৰাকীয়ে যোৱা বৰ্ষৰ আগষ্ট মাহত অনুষ্ঠিত পেৰিছ গেমছত চতুৰ্থ স্থান দখলৰ পাছত এয়া তেওঁৰ প্ৰথম অংশগ্ৰহণ।

০০০০

মুম্বাইত অহা ২৭ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈকে ভাৰতীয় সামুদ্ৰিক সপ্তাহ অনুষ্ঠিত হ'ব। এশৰো অধিক দেশৰ পৰা প্ৰায় এক লাখ প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। আজি চেন্নাইত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত জাহাজ, বন্দৰ আৰু জলপথৰ সচিব টি কে ৰামাচন্দ্ৰনে কয়, যে এই অনুষ্ঠানটোত বন্দৰ, জাহাজ আৰু জলপথকে ধৰি সমগ্ৰ সামুদ্ৰিক খণ্ডৰ অগ্ৰগতিৰ সন্দৰ্ভত এক মঞ্চ হ'ব। তেওঁ জনোৱা অনুসৰি এই প্ৰচেষ্টাই দেশ বিদেশৰ নেতাসকলক একত্ৰিত কৰি আলোচনা, উদ্ভাৱন আৰু নীতিগত পদক্ষেপৰ বাবে উৎসাহিত কৰিব।

০০০০

অলিম্পিকত দুটাকৈ পদক বিজেতা ভাৰতৰ শ্বুটাৰ মানু ভাকেৰে কাজাখাস্তানৰ শ্বিমকেণ্টত চলি থকা এছিয়ান শ্বুটি ছেম্পিয়নশ্বিপৰ মহিলাৰ ২৫ মিটাৰ পিষ্টল শাখাত চতুৰ্থ স্থান দখল কৰিছে। এই শাখাত চীনৰ যুৱেযুৱে ঝেং আৰু জিয়াৰুজুৱান জিৱাঅ'ৱে ক্ৰমে সোণ আৰু ৰূপৰ পদক অৰ্জন কৰাৰ লগতে ভিয়েটনামৰ থু ভিন ট্ৰিনহে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। দলীয় খিতানত ভাকেৰ, এশা আৰু চিমৰণ প্ৰীত কৌৰ ব্ৰাৰে গঠিত

ভাৰতীয় দলটোৱে মুঠ এহেজাৰ ৭৪৯ পইণ্টেৰে ব্ৰঞ্জৰ পদক লাভ কৰে। মহিলাৰ ২৫ মিটাৰ পিষ্টলৰ যোগ্যতা নিৰ্ণয়কাৰী শিতানত এশাই শীৰ্ষ স্থান লাভ কৰে।

০০০০

সমাপ্ত